# যুগে যুগে লাঞ্ছিতা নাৰী

হৰেশ দত্ত

**অৱতৰণিকা ঃ**

মানৱ জাতিৰ দুটা প্ৰজাতি, এটা পুৰুষ বা মতা আৰু আনটো মহিলা বা মাইকী মানুহ। জীৱ-জন্তু বা কীট-পতঙ্গৰো একেই। মানুহ বা মানৱৰ চিন্তা কৰিব পৰা এটা সবল মস্তিষ্ক আছে বাবেই মানুহক জীৱ শ্ৰেষ্ঠ বুলি কোৱা হয়। এই জীৱ শ্ৰেষ্ঠ মানৱেই যুগে যুগে নানা অপকৰ্মও কৰি আহিছে। বিশেষকৈ পুৰুষে নাৰীৰ ওপৰত নানা ধৰণে নিৰ্যাতন কৰি থকা দেখিবলৈ পোৱা যায়। সি লাগিলে সত্য যুগতেই হওক বা একৈশ শতিকাৰ পৃথিৱীতেই হওক। আমাৰ আলোচনাৰ শিৰোনাম 'যুগে যুগে লাঞ্ছিতা নাৰী' এই আলোচনা বাস্তৱ সমাজ বিজ্ঞানৰ ভিত্তিতে প্ৰতিস্থিত। যিহেতুকে নাৰীসকল যুগে যুগে বহু পুৰুষৰ হাতত সামাজিকভাৱে অপদস্থ, লাঞ্ছিতা হৈয়েই আছে। সেইবাবে এই শিৰোনামৰ প্ৰাসংগিকতা সকলোৱেই উপলব্ধি কৰিব পাৰিছে।

**প্ৰাচীন যুগৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থিতি ঃ**

পৰম ব্ৰহ্ম নাৰায়ণৰ অন্য এটি নাম 'মাধৱ'। এই মাধৱ নামটি 'মা' অৰ্থাৎ লক্ষ্মীদেৱীৰ পৰা আহিছে। মাধৱদেৱে ঘোষা শাস্ত্ৰৰ মাধ্যমেৰে কৈছে - 'মা পদে লক্ষ্মীদেৱীক বোলয় / তাহান স্বামী ঈশ্বৰ/ এতেকেসে তাঙ্ক মাধৱ বোলয় / মহাজন নিৰন্তৰ"। স্বৰূপাৰ্থত 'মা' শব্দই লক্ষ্মীদেৱীক বুজায় যদিও, আমি সামাজিকভাৱে সকলো নাৰী জাতিকে 'মা' বুলি সম্বোধন ধৰিব পাৰোঁ। সেই 'মা' সকলে কিন্তু সদায়েই পুৰুষৰ দ্বাৰা অপদস্থ, অৱহেলিত আৰু লাঞ্ছিতা হৈ থাকিব লগা হৈছে। এই ধাৰাটি অৱশ্যে আজিৰ নহয়। মানৱ জাতিৰ স্ৰষ্টা ব্ৰহ্মাদেৱে মানুহ সৃজন কৰিছিল বুলি শাস্ত্ৰই কয়। সেই ব্ৰহ্মাদেৱক সকলোৱে সেইবাবেই জগতৰ পিতা বুলি কয়। ব্ৰহ্মাই সকলো প্ৰজাক সৃজন কৰাৰ দৰেই বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীকো সৃজন কৰিছিল। কিন্তু সময়ৰ গতিত সৰস্বতী দেৱীয়েই নিজ পিতৃ ব্ৰহ্মাদেৱৰ হাততে ধৰ্ষিতা হৈ লাঞ্ছিতা হ'বলগীয়া হয়। সেয়ে হ'লে, পৃথিৱীৰ প্ৰথম গৰাকী লাঞ্ছিতা নাৰীয়েই হৈছে সৰস্বতী দেৱী। এই সৰস্বতীয়ে নিজ পিতৃ ব্ৰহ্মাৰ এনে মতিক নানাধৰণে ধিক্কাৰ দিয়াৰ পাছতো ব্ৰহ্মাই নিজ দুহিতাক হৰণৰ পৰা নিজক মুক্ত কৰিব নোৱাৰিলে। এয়া ব্ৰহ্মাৰ সৃষ্টি বৰ্ণনাৰ যুগৰ কথা। ইয়াৰ পাছত আহিল ত্ৰেতা যুগ। ত্ৰেতা যুগ পৰম ব্ৰহ্ম নাৰায়ণৰ এক অৱতাৰ ৰামচন্দ্ৰৰ যুগ। এই যুগতেই ৰাম-লক্ষ্মণে কৰা নাৰী নিৰ্যাতনে চৰম সীমা অতিক্ৰম কৰিছিল বুলি ক'ব পাৰি। ভগৱান ৰামচন্দ্ৰই তেওঁৰ ভাৰ্যা সীতাদেৱীৰ সয়ম্বৰলৈ যাওঁতে বাটত তাড়কাক

হত্যা কৰিছিল। ব্ৰহ্মাই নিজ দুহিতা সৰস্বতীক ধৰ্ষণ কৰাৰ বিপৰীতে ভগৱান হৈ ৰামচন্দ্ৰই এগৰাকী নাৰীক হত্যা কৰাটো কিমান গুৰুতৰ অপৰাধ তাক নিৰ্ণয় কৰিবলৈ হয়তো ন্যায়াধীশৰ অভাৱ হ'ব। তদুপৰি ভাৰ্যা সীতাক সয়ম্বৰত জিকি লাভ কৰাৰ অন্তত সেইগৰাকী ভাৰ্যাকে গৰ্ভৱতী অৱস্থাত বনবাস দি অন্য এক অপৰাধত লিপ্ত হৈছিল ভগৱান শ্ৰীৰামচন্দ্ৰ। ৰামচন্দ্ৰই তেওঁৰ ভাতৃ লক্ষ্মণকো সূপৰ্ণখাক নাক-কাণ কাটি নিৰ্যাতন দিবলৈ উচটাইছিল বুলিবই পাৰি, কাৰণ লক্ষ্মণে সূপৰ্নখাক নাক-কাণ কাটিবলৈ উদ্যত হ'বৰ সময়ত ৰামচন্দ্ৰই লক্ষ্মণক বাধা প্ৰদান কৰা নাছিল। যিহেতু ৰামচন্দ্ৰ আৰু তেওঁৰ ভাতৃ লক্ষ্মণ পৰমব্ৰহ্ম নাৰায়ণৰ অংশ স্বৰূপ, তেনেস্থলত তেওঁলোকে নাৰীক হত্যা আৰু নাৰীক নিৰ্যাতন নকৰি অন্য পন্থাও গ্ৰহণ কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকে তাকে নকৰি নাৰীক নিৰ্যাতন দি কাললৈ কুখ্যাতি ৰাখি থৈ গ'ল। আজিৰ একৈশ শতিকাত ডাইনী হত্যাৰ নামত যি নাৰী নিৰ্যাতন চলিছে, তাৰ তুলনাত ত্ৰেতা যুগত ভগৱানৰ হাতত হোৱা নাৰীৰ নিৰ্যাতন কোনো গুণেই কম অপৰাধ নহয়। কিন্তু আজিৰ মানৱে কয় 'ভগৱানে কৰিলে লীলা, মানুহে কৰিলে ধৰি বান্ধি কিলা'।

পুৰাণ সূৰ্য মদ্ভাগৱত গ্ৰন্থৰ ৰচক ব্যাসদেৱ, যিজনে ওঠৰ পুৰাণো ৰচনা কৰিছিল, সেই ব্যাসদেৱ আছিল ভাৰতবৰ্ষৰ একমাত্ৰ জ্ঞানী পুৰুষ। তেওঁৰে পিতাক পৰাশৰ মুনিয়ে ধীবৰ কন্যা মৎস্যগন্ধাক নানা প্ৰলোভন দি নাৰীত্ব হৰণ কৰিছিল। শক্তি মুনিৰ পুত্ৰ পৰাশৰ মুনিয়ে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে মৎস্যগন্ধাৰ মাছৰ দৰে গোন্ধাই থকা গাৰ গোন্ধ নাইকীয়া কৰি পদুম ফুলৰ গোন্ধৰ দৰে গোন্ধাই থাকিবৰ বাবে বৰ প্ৰদান কৰিছিল। সেইবাবে মৎস্যগন্ধাৰ নাম পদ্মগন্ধালৈ সলনি হৈছিল। সেই পদ্মগন্ধাৰে সতীত্ব হৰণ কৰি তেওঁক লাঞ্ছিতা কৰিবৰ বাবে পৰাশৰ মুনিয়ে যমুনাৰ বালিচৰত কোনেও নেদেখিবলৈ কুঁৱলীৰ সৃষ্টি কৰি তেওঁৰ কামনা চৰিতাৰ্থ কৰিছিল, ফলশ্ৰুতিও জন্ম লাভ কৰিছিল ব্যাসদেৱে।

কুৰু পাণ্ডৱৰ পিতামহ ভীষ্মদেৱে সয়ম্বৰৰ বাবে অপেক্ষা কৰি থকা কাশীৰজাৰ কন্যা অম্বিকা, অম্বা আৰু অম্বালিকাক হৰণ কৰি আনি লাঞ্ছিতা কৰিছিল। কুৰুক্ষেত্ৰ যুদ্ধৰ আগে আগে পাণ্ডৱ পত্নী দ্ৰৌপদীক লাঞ্ছিতা কৰিছিল ক্ৰমে দুৰ্যোধন আৰু দুঃশাসনে। পিছলৈ বনবাসী দ্ৰৌপদীক হৰণ কৰিবৰ চেষ্টা কৰিছিল জয়দ্ৰথে। অজ্ঞাতবাসৰ সময়ত বিৰাট ৰজাৰ সেনাপতি কীচকে দ্ৰৌপদীক লাঞ্ছনা কৰিছিল। এইদৰে বিভিন্ন গৰাকী নাৰীয়ে প্ৰাচীন যুগত যন্ত্ৰণা, লাঞ্ছনা, গঞ্জনা লাভ কৰিছিল পুৰুষৰ পৰা।

**১.০১ মধ্যযুগৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থিতি ঃ**

ভাৰতীয় তন্ত্ৰ শাস্ত্ৰসমূহৰ ভিতৰত যোগিনী তন্ত্ৰ, আগম তত্ব বিলাস, কালিকা পুৰাণ আদি বিশেষভাৱে ৰচিত তন্ত্ৰ শাস্ত্ৰ। এই তন্ত্ৰ শাস্ত্ৰ সমূহো শিৱ, কালী, দুৰ্গা আদি দেৱ-দেৱী সকলৰ পুজা-অৰ্চনা তথা সন্তুষ্ট কৰিবৰ বাবে লিখা শাস্ত্ৰ, লগতে নাৰীসকলক যিকোনো ধৰণৰ লাঞ্ছনা কৰি সমাজত নাৰীৰ স্থান লঘূ কৰাৰ এক পৰিকল্পনা বুলি কোৱাৰ স্থলো নথকা নহয়।

*Cultural Heritage of India*, vol. III, ত লিখা মতে মনুৱে নাৰীসকলক ৰক্ষা কৰিবৰ নিমিত্তে আহ্বান জনাইছিল যে, নাৰী কুমাৰী কালত পিতৃৰ দ্বাৰা পালিত, যুৱ কালত স্বামীৰ দ্বাৰা পালিত আৰু বৃদ্ধকালত পুত্ৰৰ দ্বাৰা পালিত হ'ব লাগে। "Women shall always be taken care by someone, by her

father in her childhood, by her husband in her youth and by her son in her old age, and then she should not be left to herself" নাৰীসকলক এনেদৰে ৰক্ষণাবেক্ষণ দিবলৈ মনুৱে সকলোৰে প্ৰতি আহ্বান জনোৱাৰ বিপৰীতে কিন্তু যোগিনী তন্ত্ৰৰ নিচিনা তান্ত্ৰিক পুথিয়ে কি কয় চাওঁচোন- কুমাৰী ছোৱালীক পূজা কৰিলে (কুমাৰী পূজা) সমস্ত দেৱতা তুষ্ট হয়। বহুত কুমাৰীক পূজা কৰিলে তিনিলোকত থকা সকলো দেৱতাৰে পূজা কৰাৰ সমান ফল পায়। (যোগিনী তন্ত্ৰ, সপ্তদশ পটল) পুৰোহিতসকলে নাৰীক কেৱল ভোগৰ সামগ্ৰী হিচাপে গণ্য কৰি যোগিনী তন্ত্ৰ নাম দি এখন তন্ত্ৰ শাস্ত্ৰ প্ৰণয়ন কৰে। য'ত নাৰীসকলক কুমাৰী অৱস্থাৰে পৰাই ভোগ কৰিবৰ বাবে বিধান দিয়াৰ কথা লিখা আছে। এই কুমাৰী পূজা আন একো নহয়। ষোল্লবছৰীয়া ছোৱালীৰ (যুৱতী) নগ্ন দেহৰ পূজাহে। শক্তিপূজকজনে এজনী পূৰ্ণ যৌৱনা ষোড়শী গাভৰুক সম্পূৰ্ণ নগ্ন ৰূপত চিন্তা কৰিব আৰু নিজৰ সকলো অঙ্গ গাভৰুৰ সকলো অঙ্গত মিলাই ভাবিব। এয়ে কুমাৰী পূজাৰ লক্ষণ। বাণীকান্ত ৰচনাৱলীৰ - "যদি কাম ভবেৎ, কোহপি বৈকুণ্ঠং পৰমং ব্ৰজেৎ" (পৃঃ ২০০) - অৰ্থাৎ কুমাৰী পূজাৰ সময়ত কামভাৱ যুক্ত হৈ পূজাত ভাগ লয়, তেন্তে তেওঁৰ বৈকুণ্ঠত বাস নিশ্চিত। পিছে বৈকুণ্ঠত স্থান লভিবৰ বাবে কেৱল কুমাৰী ছোৱালীক কামভাবেৰে ভজিলেই নহ'ব, পূজাৰ কুমাৰীজনীক বলি দিবও লাগিব বুলি এন.চি.চৌধুৰীয়ে *Hindusim : A Religion to live by*, 1979. p 249 ত লিখিছে এনেদৰে " To complete their course of devotion, raped a virgin and then sacrificed her" এইদৰেই কুমাৰী পূজাৰ মাধ্যমেৰে পুৰোহিত শ্ৰেণীয়ে নাৰীক লাঞ্ছনা কৰি কেৱল ভোগৰ সামগ্ৰীৰ দৰেহে ব্যৱহাৰ কৰিছিল। ড° মহেশ্বৰ নেওগ সম্পাদিত 'অৰুণোদয়ই'ৰ ১ম, ৮০৯ পৃষ্ঠাত এনেদৰে লিখা আছে-

"পূজা হ'লে তাৰ পাছে কৰে আৰু দান।
অৱশেষে মদ আদি কৰে দুয়ো পাণ।।
মনে মনে দুয়োজনে ঘৰৰ ভিতৰে।
জেন ইচা হই, তাক কৰিবাক পাৰে-।।"

গতিকে ওপৰত বৰ্ণনা কৰা মতে এয়া মাথোঁ এগৰাকী ষোড়শী গাভৰুক কিদৰে যন্ত্ৰণা দি নাৰীক শোষণ কৰিছিল সেই কথাই জনা গ'ল।

এতিয়া চোৱা যাওক যোগিনী তন্ত্ৰই ষোড়শী কুমাৰীসকলৰ বাহিৰে অন্য নাৰীসকলক কেনেদৰে লাঞ্ছিতা কৰিব লাগে তাৰ বিধান কেনেদৰে দিছে —

"মাতৃ যোনি পৰিত্যজ্য মৈথুনং সৰ্বযোনিষু" (যোগিনীতন্ত্ৰ, ৬ষ্ঠ পটল, পৃ. ৮৫) কেৱল নিজ জন্মদায়িনী মাতৃৰ বাহিৰে বাকী আপোন-পৰ সকলো নাৰীকে পুৰোহিতসকলে নিজৰ শৰ্য্যাসঙ্গিনী কৰি ল'ব পাৰে। ইয়াতকৈ নিৰ্লজ কিবা থাকিব পাৰেনে? এয়া নাৰীক কৰা নিৰ্যাতনৰ চূড়ান্ত পৰ্যায় বুলি চিহ্নিত কৰিব পাৰি। পিছে যোগিনী তন্ত্ৰক পিছ পেলাই আগম তত্ত্ব বিলাস নামৰ তান্ত্ৰিক পুথিখন আৰু এখোজ আগবাঢ়ি গৈ লোলুপ চামক বুদ্ধি দিলে এনেদৰে-

"অন্যা যদি ন গচ্ছেৎ তু নিজকন্যা নিজানুজা।
অগ্রজা মাতুলানি বা মাতো বা তৎস পত্নিকা।।"
- আগম তত্ত্ববিলাস, ৰঘুনাথ তৰ্ক বাগিশ
ভট্টাচাৰ্য, পৃঃ ৬৫৫

তদুপৰি এই পুথিখনে পৰ্বতৰ শিখৰৰ পৰা কোৱাদি ক'লে যে- "মাতৰপি ন ত্যজেৎ" অৰ্থাৎ ওপৰত বৰ্ণনা কৰা নাৰীসকলৰ অভাৱত নিজ মাতৃকো ব্যৱহাৰ কৰিব পাৰে। ইয়াতকৈ নাৰী জাতিক লাঞ্ছনা কৰাৰ অধিক কিবা হ'ব পাৰে বুলি ভাবিব পৰা অৱকাশ নাই।

পৰমব্ৰহ্ম নাৰায়ণৰ দশ অৱতাৰৰ নৱম অৱতাৰটি হৈছে বুদ্ধ অৰ্থাৎ বুদ্ধদেৱ। যি ভাৰতবৰ্ষত বৌদ্ধ ধৰ্মৰ অৱতাৰণা কৰে। বুদ্ধদেৱৰ নৈতিক শিক্ষা যথেষ্ট প্ৰভাৱশালী, বৈষম্যৰহিত আৰু অতিকে উদাৰ আছিল বাবেই স্বামী বিবেকানন্দই নিজে মন্তব্য কৰিছে এই বুলি যে "Buddhism was the most tremendous religious movement that the world ever saw" ভগৱান বুদ্ধৰ যি পঞ্চশীল নীতি আৰু অষ্টাঙ্গ সমাধি, সেয়াই প্ৰমাণ কৰে যে ভগৱান বুদ্ধ প্ৰকৃততেই এজন ভগৱান। পিছে পাছলৈ বুদ্ধদেৱৰ বৌদ্ধধৰ্ম পৃথক হৈ মহাযান, সহজীয়া আৰু ৱজযানলৈ ৰূপান্তৰিত হৈ তান্ত্ৰিক প্ৰৱণতাৰ আশ্ৰয় লৈ যি কোনো নাৰীকে অংক শায়িনী কৰি ল'বলৈ ক'বলৈ কুণ্ঠাবোধ নকৰিলে। সেয়েহে ড° সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিবলৈ বাধ্য হৈছে এনেদৰে- "There were people in society who followed degenerated Buddhist Tantricism of Vajrayana form indulging in a lot of immorality without having any respect of food and sex." (*Comprehensive History of Assam*, Vol.III). জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছে- "Sankardeva did not want repetition of the sexual rites under the then prevalent trantism or Brajayano/ Bamacari Buddhism" (*Sankandeva: His life, preaching and practices*, P. 306)" ইয়াৰ পৰা বুজিব পৰা হয় যে, ভগৱান গৌতম বুদ্ধই আৰম্ভ কৰা বৌদ্ধ ধৰ্মৰ পৰা ফালৰি কটা ৱজযান, সহজীয়া পন্থাই অতি নিৰ্লজ্জভাৱে নাৰীক কেৱল ধৰ্মৰ দোহাই দি লাঞ্ছনা কৰি আহিছিল।

ৰামকৃষ্ণ পৰমহংস এজন প্ৰখ্যাত মা কালীৰ উপাসক আছিল। মাকৰ কোলাত এজন নাবালক সন্তানে যিদৰে আত্মনিবেদন কৰে, তেনেদৰেই পৰমহংসদেৱে নিজকে আত্মসমৰ্পণ কৰিছিল মা কালীৰ চৰণত। তেওঁ সকলো নাৰীকে আনকি তেওঁৰ ভাৰ্যাকো মা'ৰ ৰূপতেই চিন্তা কৰিছিল। সেয়েহে তেওঁ নিজৰ ভাৰ্যাৰ লগতো পতি-পত্নীৰ সম্পৰ্ক স্থাপন কৰা নাছিল। বৈষ্ণৱৰ কৃষ্ণ আৰু পৰমহংসদেৱৰ কালীৰ মাজত কোনো ভেদ তেওঁ দেখা নাছিল। সেয়েহে কালীপূজাত সততে চলি থকা দেৱদাসী নৃত্য বা বেশ্যাৰ নৃত্য তেওঁ উপভোগ কৰা নাছিল। তেওঁৰ সেই পৰম কল্যাণময়ী কালী মা পূজাত বেশ্যা উপভোগ কৰিবলৈ কিছু সংস্কৃত পণ্ডিতে দিয়া পৰামৰ্শ ভুল বুলি দাঙি ধৰিছিল। তেওঁৰ ভাৱ হৈছিল যে পৰমকল্যাণময়ী 'মা' কালীৰ পূজাত বেশ্যাগমন কৰি সকলো 'মা'কে লাঞ্ছিতহে কৰা হৈছে।

ভাৰতবৰ্ষ বিভিন্ন দেৱ-দেৱীক পূজা অৰ্চনা কৰা দেশ। দুৰ্গা পূজা আন এক আড়ম্বৰপূৰ্ণ পূজা। এই পূজা হৈছে দুৰ্গতি নাশিনীৰ পূজা। পিছে এই দুৰ্গতি নাশিনী ৰূপী দেৱী দুৰ্গাক একশ্ৰেণীৰ পুৰোহিতে 'স্ত্ৰীঅঙ্গ'ৰ

পূজালৈ পৰ্যবসিত কৰি সমগ্ৰ নাৰী জাতিকেই লাঞ্ছিত কৰিলে। এই পুৰোহিত শ্ৰেণীয়ে ঘোষণা কৰিলে যে এগৰাকী উলঙ্গ স্ত্ৰীক পূজা কৰিলেই দুৰ্গা দেৱীক পূজা কৰাৰ সমান হ'ব আৰু ইয়াতেই দেৱী দুৰ্গা সন্তুষ্ট হ'ব। Census of Assam, 1901, Vol.I, P.39 ত B.C. Allen এ লিখিছে- "This side of Hinduism concerns with the procreative force as menifested of worship is the adoration of a naked women... be found in a Yontra, or a triangular plate". Yontra মানে স্ত্ৰী অংগ। triangular মানে ত্ৰিকোণাকাৰ, ত্ৰি-কোণ স্ত্ৰী-শক্তিৰ প্ৰতীক আৰু যোনি ব্যঞ্জক। *Social Contents of Indian Religion Reform Movement*, Ed. S P Sen, 1st ed. 1978, P. 50 ত ড° নৰেন্দ্ৰ নাথ ভট্টাচাৰ্যই লিখিছে - "The Geometrical Patterns like the trantic diagran representing the female generative organ." ইফালে কালিকা পুৰাণে মত দিছে যে, দেৱী-দুৰ্গাৰ মণ্ডপত নট, নৰ্ত্তক আৰু বেশ্যাৰ দ্বাৰা নৃত্য-গীত কৰি তাক সকলোৱে উপভোগ কৰি ৰাত্ৰি যাপন কৰিব লাগে আৰু দুৰ্গা দেৱীৰ বিসৰ্জনৰ সময়তো নিপুণ কুমাৰী ছোৱালী, বেশ্যা, নট-নৰ্ত্তক আদিয়ে নানা বাদ্য বজাই স্ত্ৰীঅঙ্গ বাচক অশ্লীল অঙ্গী-ভঙ্গী, অশ্লীল কথা-বাৰ্ত্তা, চিঞৰ-বাখৰ কৰি সমদল কৰিব লাগে, তেতিয়াহে দেৱী-দুৰ্গা সন্তুষ্ট হয় আৰু নকৰিলে দেৱী বিতুষ্ট হ'ব। এইবোৰ দেখি-শুনি সেয়েহে বিশিষ্ট চিন্তাবিদ ড° দেৱীপ্ৰসাদ চট্টোপাধ্যায়ে *Lokayata*, 7th Ed, P. 296 ত লিখিছে - "This is the original Durga Puja. There is hardly anything in it that can be called spiritual or religious in the strictest sense. It is just agricultural magic" আকৌ তেওঁ কৈছে- "For the present it is sufficiently only to note that behind the rather indiscriminate use of spiritualistic and other technologies in the texts representing the so-called different schools of the sexual union." কমলাকান্ত ৰচনাৱলী, ১৯৮২, পৃঃ ১৪৮ ত অতি স্পষ্টকৈ লিখা আছে যে, "হিন্দু আৰ্য জাতিৰ বিশেষকৈ ব্ৰাহ্মণসকলৰ লিঙ্গ, যোনি পূজা কৰা ধৰ্ম নহয়"। কমলাকান্ত ভট্টাচাৰ্যৰ এই বাক্যটিয়ে পদ্ম পুৰাণৰ উত্তৰ খণ্ডত লিখা "নান্যং দেৱং তু বীক্ষেত ব্ৰাহ্মনো ন চ পূজ্যয়েৎ" অৰ্থাৎ কোনো ব্ৰাহ্মণেই দেৱ-দেৱীৰ পূজা কৰাতো উচিত নহয় কথাফাকি অতি উচিত ভাৱেই সমৰ্থন কৰিছে।

ওপৰোক্ত আলোচনাৰ পৰা বুজা গ'ল যে, আদিতে কোনো দেৱ-দেৱীৰ পূজা-অৰ্চনা কেৱল ধৰ্মীয় পদ্ধতিতেহে সীমাবদ্ধ আছিল। পাছলৈ লম্পট, যৌনাচাৰী পুৰোহিত এচামে ধৰ্মৰ নামত, পূজাৰ নামত নাৰীক কেৱল উপভোগৰ সামগ্ৰী সজাই লোকচক্ষুৰ আগত নাৰী অৰ্থাৎ 'মা' সকলক লাঞ্ছিতা কৰি নিজৰ নিজৰ জৈৱিক মহাসুখৰ আহিলাত পৰিণত কৰিলে।

**১.০২ আধুনিক সমাজ ব্যৱস্থাত নাৰীৰ স্থান ঃ** বৰ্তমানৰ আধুনিক নামধাৰী যুগত নাৰীৰ লাঞ্ছনাৰ জোখ ল'বলৈ কোনো যন্ত্ৰৰ উদ্ভাৱন হোৱা নাই যদিও য'তে-ত'তে যেতিয়াই-তেতিয়াই নাৰীক কেৱল লাঞ্ছনাই কৰি থকা দেখিবলৈ পোৱা গৈছে। প্ৰাচীন যুগ বা মধ্য যুগত নাৰীক কেৱল শাস্ত্ৰৰ বিধান বা বিশেষ তান্ত্ৰিক গোষ্ঠীৰ লালসাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰাৰ বিপৰীতে বৰ্তমানৰ আধুনিক বিজ্ঞানৰ যুগতো নাৰীৰ দুৰ্দশাৰ অন্ত পৰা নাই, তাৰ বিপৰীতে বেচিকৈহে হৈছে। তান্ত্ৰিক শাস্ত্ৰৰ দোহাই দি বৰ্তমানো ঠায়ে ঠায়ে নাৰীৰ স্বাভিমান ভাঙি চূৰমাৰ কৰি দিয়া দেখা হৈছে। বিভিন্ন যোগী, বাবা আদিয়ে নাৰীক নিৰ্যাতন কৰা দেখা

গৈছে। স্বামী নিত্যানন্দ, আশাৰাম বাপু আদি সেইবোৰৰ এক জ্বলন্ত উদাহৰণ। পশ্চিমীয়া কিছুমান দেশত নাৰী-পুৰুষৰ মিলনকাৰ্য ৰাজহুৱাকৈ, মুকলি ভাৱে কৰা বা দেখুওৱা হয় যদিও সেইবোৰ দেশত তেনে কাৰ্যক অপৰাধ বুলি গণ্য কৰা নহয়, পিছে তেনেবোৰ মিলন কাৰ্য অন্য দেশ কিছুমানত অপৰাধ বুলি গণ্য হয়। পৃথিৱীখন গোলকীকৰণৰ প্ৰভাৱত এখন গাঁৱলৈ পৰ্যবসিত হোৱাৰ সুবাদতে এনে অসামাজিক কাম, নাৰীক বঞ্চনা কৰা কাৰ্য যি কোনো ঠাইতেই বৰ্তমান অতি সুলভ হোৱা পৰিলক্ষিত হৈছে। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তেতিয়াৰ ৪৭ বছৰীয়া বিল ক্লিণ্টনে তেওঁৰে কৰ্মচাৰী ২২ বছৰীয়া মনিকাৰ লগত কৰা ঘটনাবোৰে সমগ্ৰ পৃথিৱী কঁপাই তুলিছিল। পুণ্যভূমি ভাৰতবৰ্ষৰ হাৰিয়ানা প্ৰদেশত বৰ্তমানৰ আধুনিক যুগতো মুকলিকৈয়ে নাৰীক বেচা-কিনা কৰা হয়। আনকি তাত নিজৰ পিতৃয়েই কন্যাক পুৰুষৰ হাতত নিৰ্যাতিতা হ'বৰ বাবে কেইটামান টকাৰ বিনিময়ত গছৰ তলত বৈ থাকে গ্ৰাহকৰ অপেক্ষাত। অসম মুলুকত ডাইনী হত্যাৰ নামৰ বহুত সংখ্যক নাৰী নিৰ্যাতিতা আনকি হত্যাৰ বলি হ'ব লগা হৈছে। ২০০৫ চনৰ পৰা বৰ্তমান ২০১৫ চনলৈ ১০ বছৰতে মুঠ ৬১৪৭ টা নাৰী আতিশৰ্যৰ ঘটনা সংঘটিত হৈছে (*দৈনিক জনমভূমি*, ২১ জুলাই, ২০১৫) শোণিতপুৰ জিলাৰ বিশ্বনাথৰ ভীমাজুলি নামৰ ঠাইত ১৯ জুলাই, ২০১৫ তাৰিখে এগৰাকী ৬৫ বছৰীয়া বৃদ্ধাক হত্যা কৰা হৈছে।

বিভিন্ন উৎসৰ পৰা দেখা গৈছে যে, কি চিনেমা জগত, কি খেল জগত, কি আধ্যাত্মিক জগত, সাংবাদিক জগত প্ৰায় সকলোতে আজি-কালি নাৰীক কেৱল লাঞ্ছনাহে কৰা দেখা গৈছে। ভাৰতবৰ্ষৰ খেল জগতত নাৰী লাঞ্ছনাৰ ঘটনাও কম নহয়। নাৰীক বিভিন্ন খেলত অংশ ল'বলৈ দিয়াৰ অজুহাতত খেলৰে বিষয়ববীয়াৰ হাতত নাৰী লাঞ্ছিতা হ'বলগীয়া হয়। ২০১৪ বৰ্ষৰ এচিয়ান গেম্‌ছৰ অংশ ল'বলৈ দিয়াৰ অজুহাতত মহিলা খেলুৱৈৰ প্ৰতি বিৰূপ বাক্যবান আগবঢ়াইছিল দুজনকৈ বিষয়ববীয়াই। ২০০৯ চনত ২১ বছৰীয়া এগৰাকী বক্সাৰে তেওঁৰ জীৱন সামৰিব লগীয়া হৈছিল আত্মহত্যাৰ জৰিয়তে, কাৰণ বক্সাৰ গৰাকীক তেওঁৰে প্ৰশিক্ষক জনে বেয়া চকুৰে চাইছিল। ভাৰতবৰ্ষৰ এজন উচ্চ পদস্থ পুলিচ কমিছনাৰে এগৰাকী নতুন মহিলা অসামৰিক বিষয়াৰ গাত হাত দিয়াৰ কথা বিভিন্ন মাধ্যমত বিশেষভাৱে সমালোচিত হৈছিল।

নাৰী সৰবৰাহ এক অতি জঘন্য সামাজিক অপৰাধ। নাৰী সৰবৰাহৰ জৰিয়তে নাৰী জাতিক অতি সাংঘাটিক ধৰণেৰে অপমান কৰিছে বিভিন্ন চক্ৰই। নাৰী সৰবৰাহেৰে নাৰীক যৌনাচাৰৰ লগে লগে অতি কঠোৰ কৰ্মত লিপ্ত কৰোৱা হয়। বেছিভাগ নাৰী সৰবৰাহকাৰীয়ে নাৰীক বিভিন্ন ঠাইত কেইটামান টকাৰ বিনিময়ত বিক্ৰী কৰি দিয়ে পণ্য সামগ্ৰীৰ দৰে। কেতিয়াবা কেতিয়াবা নাৰী নিজেও পণ্য সামগ্ৰীৰ দৰে বিক্ৰী হয়। বিভিন্ন দেশলৈ গৈ নাৰীয়ে বিভিন্ন এজেঞ্চিত যোগদান কৰি কেৱল ধন-দৌলতৰ লালসাতে নিজে বিক্ৰী হৈ যায়।

এটা সমীক্ষা অনুযায়ী আমেৰিকাত ১৮ বছৰৰ তলৰ নাৰীৰ ৪৪ শতাংশ লাঞ্ছিত হয় বিভিন্ন ক্ষেত্ৰত আৰু ৩০ বছৰৰ ওপৰৰ ৮০ শতাংশ নাৰীয়েই লাঞ্ছিতা হয়। সেই দেশখনত গড়ে প্ৰতি ১০৭ চেকেণ্ডত এগৰাকীকৈ নাৰী লাঞ্ছিতা হয়। মুঠ লাঞ্ছিতা নাৰীৰ ৬৮ শতাংশই পুলিচত কোনো ধৰণৰ সেই সম্পৰ্কত গোচৰ নতৰে আৰু বাকী ৩২ শতাংশই জনালেও তাৰে ৯৮ শতাংশ লাঞ্ছনাকাৰীয়েই কোনো ধৰণৰ জেল-

জৰিমনা নভৰে। ইয়াতকৈও ডাঙৰ কথাটো হ'ল যে, এই যৌন নির্যাতনকাৰীসকলৰ ভিতৰত ৪৭ শতাংশই হৈছে লাঞ্ছিতা গৰাকীৰ বন্ধু। ইয়াতকৈ বিপদজনক কথা আৰু কি হ'ব পাৰেঙ্গ

**সামৰণি ঃ**

পৰিশেষত ক'বলৈ বিচৰা হৈছে যে এফালে নাৰীক আদ্য শক্তি, মা, করুণাময়ী আদি আখ্যাৰে বেদীত স্থাপন কৰি পূজা অর্চনা কৰা হয়, আনহাতেদি একেগৰাকী 'মা' কে পূজাৰ নামত অত্যাচাৰ কৰা হয়। এই দোর্ঘোৰ অনীতিৰ বাবে নাৰী সমাজৰ লগতে পুৰুষো একত্ৰিত হৈ দাবী উত্থাপন কৰিব লাগিব যাতে নাৰী সমাজ কোনো কাৰণতেই যাতে লাঞ্ছিত হ'বলগীয়া নহয়। কেৱল নিজৰ প্ৰাপ্য আদায়ৰ বাবেই নাৰীয়ে আগবাঢ়ি অহাৰ লগে লগে পূজাৰ নামত কৰা এই বলিয়ালীবোৰো ৰোধ কৰিবলৈ নাৰীয়েই আগভাগ ল'ব লাগিব। বিভিন্ন সভাই-সমিতিয়ে এইবোৰৰ উচিত ব্যাখ্যা দাঙি ধৰিব পাৰিব লাগিব। পুৰুষেও কেৱল নাৰীয়ে পিন্ধা কাপোৰ-কানিতেই লাগি নাথাকি 'ঐতিহ্য' বুলি সততে কৈ অহা সমাজবিৰোধী কাম-কাজবিলাকৰো মূল্যায়ন কৰিব পাৰিব লাগিব। তেতিয়াহে নাৰীক প্ৰকৃত মৰ্যাদা দিয়া হ'ব।

<u>সহায়ক গ্ৰন্থ পঞ্জী ঃ-</u>


দত্ত বৰুৱা, হৰিনাৰায়ণ (সঃ); *শ্ৰীমদ্ভাগৱত,* দত্তবৰুৱা এণ্ড কোঃ, নলবাৰী, ১৯৭৬ (৮ম)

শীল, বেনীমাধৱ (সঃ); *কৃত্তিবাসী ৰামায়ণ,* অক্ষয় লাইব্ৰেৰী, কলকাতা - ৯; ২০০৮

শীল, বেনীমাধৱ (সঃ); *শশীদাসী মহাভাৰত,* অক্ষয় লাইব্ৰেৰী, কলকাতা - ৯; ২০০৮

নেওগ, মহেশ্বৰ (সঃ); *মাধৱদেৱ বিৰচিত নামঘোষা,* লয়াৰ্চ বুক ষ্টল, গুৱাহাটী; ১৯৬২ (৩য়)

নেওগ, মহেশ্বৰ (সঃ); *বাণীকান্ত ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী; ১৯৯১, (১ম)

নেওগ, মহেশ্বৰ (সঃ); *অৰুণোদই,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী; ১৯৮৩

দত্তবৰুৱা, মুনীন্দ্ৰ নাৰায়ণ; *যোগিনীতন্ত্ৰ,* দত্তবৰুৱা এণ্ড কোঃ, গুৱাহাটী; ১৯৭২, (১ম)

ভট্টাচাৰ্য্য, ৰঘুনাথ তৰ্কবাগিশ; *আগম তত্ত্ব বিলাস,* নৱভাৰত পাব্লিচাৰ্চ, ৭২ মহাত্মা গান্ধী ৰোড, কলকাতা

শইকীয়া, হেমচন্দ্ৰ; *অসমীয়াৰ ব্ৰহ্মতালুত সৰ্পদংশন,* মিনু শইকীয়া, যোৰহাট, ২০০৯, (১ম)

Rajkhowa, J.P.; *Sankardeva : His life, preaching and practice,* B.S. Publication, Guwahati - 21; 2003, 1st.

Allen, B.C. *Census of Assam*, Manas Publication, Delhi, 1901.

Aiyar, C.P. Ramaswami. *Cultural Heritage of Assam*, Institute of Culture, Vol. III, Ramakrishna Mission, Calcutta.

Choudhury, Nirod C. *Hinduism, A religion to live by*, B.I. Publication, New Delhi-1; 1979.

*দৈনিক জনমভূমি* কাকত; জনমভূমি প্ৰেছ প্ৰাঃ লিঃ, যোৰহাট

http://www.redifmail.com